জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৬৭ ● সোমবাৰ ● ২৬ কাতি ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday November 13, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ...

## ...বিদ্যালয়ৰ ...নৰ আহ্বান

২০২৩-২৪বৰ্ষৰ বিদ্যালয়ৰ আন্তঃগাঁথনিৰ টকা, খেল-ধেমালি আৰু অন্যান্য শিতানৰ টকা খৰচ কৰিব পৰা নাই শিক্ষকগৰাকীয়ে প্ৰকাশ কৰা মতে অতিশীঘ্ৰেই বিদ্যালয় পৰিচালনা সমিতিখন অনুমোদন কপি ঘূৰাই নাপালে আগন্তুক ২০২৪বৰ্ষৰ মাৰ্চ এণ্ডিঙৰ সময়ত বেংকত জমা থকা ধনৰাশি পুনৰ চৰকাৰৰ ঘৰলৈ ঘূৰি যাব। ইতিমধ্যে প্ৰধান শিক্ষক গৰাকীয়ে বৰবৰুৱা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ প্ৰতি জকাই হাঁহচৰা প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতি অনুমোদন জনাবলৈ আহ্বান জনাইছে।

# কানৈৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়ালৈ ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান

**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১২ নৱেম্বৰ ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক, শিক্ষাবিদ ড° শশীকান্ত শইকীয়াক 'বাবু জগজীৱন ৰাম কলা সংস্কৃতি আৰু সাহিত্য অকাদেমি'ৰ তৰফৰপৰা ২০২৩ বৰ্ষৰ 'ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক-২০২৩'ৰ বাবে নিৰ্বাচিত কৰিছে। অসম ৰাজ্যিক সমিতিৰ এখন সমিতিয়ে অনুমোদন কৰাৰ পিছতে অধ্যক্ষগৰাকীক এই সন্মান প্ৰদান কৰাৰ কথা ঘোষণা কৰা হয়। সামাজিক,শৈক্ষিক, পৰিৱেশ, সাহিত্যৰ লগতে পিছপৰা লোকসকলৰ উন্নয়নৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ স্বীকৃতি হিচাপে ড° শইকীয়াক ১২ ডিচেম্বৰত দিল্লীৰ দীনদয়াল মাৰ্গৰ ৰাজেন্দ্ৰ ভৱনত এই সন্মান প্ৰদান কৰাৰ কথা বাবু জগজীৱন ৰাম কলা সংস্কৃতি আৰু সাহিত্য অকাদেমিৰ ৰাষ্ট্ৰীয় সভাপতি ড° এন এছ খৰাই এক পত্ৰযোগে অৱগত কৰিছে। ড° শশীকান্ত শইকীয়াক ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে 'কৰ্মসূৰ্য' উপাধিৰে ৰাজ্যৰ বিভিন্ন সামাজিক সংগঠনে সন্মানিত কৰা অধ্যক্ষগৰাকীক ডিব্ৰুগড় জিলা উপায়ুক্তকে ধৰি এশটাৰো অধিক বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনে ইতিমধ্যে কৰ্মৰ স্বীকৃতি দি সম্বৰ্ধনা জ্ঞাপন কৰিছে। সমগ্ৰ বিশ্বত সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিত কৰাৰ বাবে গঠন হোৱা 'স্নেহবন্ধন, অসম'ৰ সাধাৰণ সম্পাদক আৰু স্বচ্ছ ভাৰত মিছন অসমৰ প্ৰাক্তন ব্ৰেণ্ড এম্বেছেদৰৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা অধ্যক্ষ ড° শইকীয়াৰ নেতৃত্বত কানৈ মহাবিদ্যালয়ৰ চৌহদ প্ৰতিদিনে পুৱা ৫ বজাৰ পৰা এটা গ্ৰীন ক্লাব গঠন কৰি পৰিষ্কাৰ কৰি আহিছে। মনকৰিবলগীয়া যে মহাবিদ্যালয়খনে অধ্যক্ষগৰাকীৰ নেতৃত্বত নাকৰ 'এ' গ্ৰেড লাভ কৰাৰ লগতে মহাবিদ্যালয়খনে দেশৰ ভিতৰত এখন স্বচ্ছ মহাবিদ্যালয় হিচাপে বিভিন্ন সংগঠন, চৰকাৰী পক্ষৰ পৰা প্ৰমাণ পত্ৰ লাভ কৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীক এনে সন্মান প্ৰদান কৰাত ডিব্ৰুগড়ৰ লগতে মহাবিদ্যালয়খনৰ পৰিয়ালৰ মাজত আনন্দৰ বন্যা বৈছে।



## ...তিৰ আলুখেতিৰ প্ৰস্তুতি

## কালী পূজা উদযাপন

## ...ণ হ'লে হেৰুৱা...

## ...ীয়া অভিজ্ঞ...